**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 25-08-2025
**Time :** 1340 HRS.

ASSAMESE MIDDAY BULLETIN

## HEADLINES

::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ফিজিৰ প্ৰধানমন্ত্ৰী ছিটিভেনী ৰাবুকাৰ সৈতে দিল্লীত উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সংবিধানৰ ১৩০ সংখ্যক সংশোধনী বিধেয়কক লৈ বিৰোধী দলসমূহৰ প্ৰতিবাদী কাৰ্যসূচীক সমালোচনা কৰিছে।

৩। বি এছ এফৰ এটা প্ৰতিনিধি দলে আজি সন্ধিয়া ঢাকাত বাংলাদেশ সীমান্তৰক্ষী বাহিনীৰ সৈতে ৫৬ সংখ্যক সঞ্চালক প্ৰধান পৰ্যায়ৰ আলোচনাত মিলিত হ'ব।

৪। উত্তৰ প্ৰদেশৰ বুলন্দ শ্বেহেৰৰ ৩৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এটা পথ দুৰ্ঘটনাত দুগৰাকী মহিলাকে ধৰি কমেও ৯জন লোকৰ মৃত্যু হৈছে।

*আৰু*

৫। সাগৰীয় ঘূৰ্ণীবতাহ কাজিকীৰ পৰা হ'ব পৰা ক্ষয়-ক্ষতিৰ প্ৰতি লক্ষ্য ৰাখি ভিয়েটনাম চৰকাৰে সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ফিজিৰ প্ৰধানমন্ত্ৰী ছিটিভেনী ৰাবুকাৰ সৈতে দিল্লীত উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। এই বৈঠকত স্বাস্থ্য, সামৰ্থ্য বৰ্দ্ধনকে ধৰি কেইবাটাও বিষয়ত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয়। বৈঠকৰ পাছত দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে নতুন দিল্লীৰ হায়দৰাবাদ ভৱনত এখন যুটীয়া সংবাদ মেল সম্বোধন কৰে। সংবাদ মেলত প্ৰধানমন্ত্ৰীয়ে ফিজিৰ সৈতে ভাৰতৰ পুৰণি সম্পৰ্কৰ বিষয়ে উল্লেখ কৰে। ইয়াৰ আগেয়ে ফিজিৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে পুৰা ৰাজঘাটত মহাত্মা গান্ধীৰ সমাধিত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। তিনিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হোৱা শ্ৰীৰাবুকাক শিক্ষা আৰু ডনাৰ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী সুকান্ত মজুমদাৰে বিমানবন্দৰত আদৰণি জনায়। সপত্নীক ভাৰতলৈ অহা প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে দেশখনৰ স্বাস্থ্য আৰু চিকিৎসা সেৱা মন্ত্ৰী ৰাটু এটনিঅ' লালাবালাভুকে ধৰি কেইবাগৰাকী শীৰ্ষ বিষয়া আহিছে। কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই অভ্যাগত প্ৰতিনিধিসকলক কালি সন্ধিয়া সাক্ষাৎ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে ফিজিৰ প্ৰধানমন্ত্ৰী হিচাপে দায়ত্বভাৰ গ্ৰহণৰ পাছত শ্ৰীৰাবুকাৰ এয়া হৈছে প্ৰথম ভাৰত ভ্ৰমণ। এই ভ্ৰমণকালত তেওঁ নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকো সাক্ষাৎ কৰিব। প্ৰধানমন্ত্ৰী ৰাবুকাৰ এই ভ্ৰমণে ভাৰত আৰু ফিজিৰ মাজৰ দীৰ্ঘদিনীয়া সম্পৰ্ক সুদৃঢ় কৰাৰ উপৰি দুয়োখন দেশৰ জনসাধাৰণৰ মাজৰ সম্পৰ্ক তথা বিভিন্ন ক্ষেত্ৰত থকা দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ দিশত নিৰন্তৰ প্ৰতিশ্ৰুতিবদ্ধতাক পুনৰ নিশ্চিত কৰিব বুলি আশা কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আহমেদাবাদত ৫ হাজাৰ ৪০০ কোটি টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰিব। তেওঁ এই উপলক্ষে আয়োজিত এখন জনসভাতো ভাষণ দিব। দুদিনীয়া গুজৰাট ভ্ৰমণৰ দ্বিতীয় দিনা তেওঁ আহমেদাবাদৰ হানচলপুৰত থলুৱাভাৱে উৎপাদিত হাইব্ৰীড বেটেৰী

ইলেকট্ৰ'ডছ আৰু ১০০ খন দেশলৈ বেটাৰীচালিত বাহনৰ ৰপ্তানি কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। এই ভ্ৰমণৰ কালছোৱাতে তেওঁ এহেজাৰ ৪০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা কেইবাটাও ৰে'লৱে প্ৰকল্প ৰাষ্ট্ৰৰ বাবে উৎসৰ্গা কৰিব। তেওঁ লগতে বিৰামগাঁও-খুদাদ-ৰামপুৰ পথ সম্প্ৰসাৰণ প্ৰকল্পও উদ্বোধন কৰিব। শ্ৰীমোদীয়ে আহমেদাবাদ-মেহচান-পালনপুৰ সংযোগী ছয়লেনযুক্ত সুৰংগ পথ নিৰ্মাণৰ আধাৰশিলা স্থাপনৰ লগতে আহমেদাবাদ-বিৰামগাঁও পথত ৰে'লৱে উৰণ সেতুৰ উদ্বোধন কৰিব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সংবিধানৰ ১৩০ সংখ্যক সংশোধনী বিধেয়কক লৈ বিৰোধী দলসমূহে প্ৰতিবাদ সাব্যস্ত কৰাটোক সমালোচনা কৰিছে। এটা সংবাদ প্ৰতিষ্ঠানৰ সৈতে হোৱা সাক্ষাৎকাৰত শ্ৰীশ্বাহে বিৰোধী পক্ষৰ একাংশ নেতাই কাৰাগাৰৰ পৰা চৰকাৰ চলাব খোজে বুলি অভিযোগ তোলে। বিৰোধী দলৰ সদস্যসকলৰ এই প্ৰতিবাদ অগণতান্ত্ৰিক বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ো এই বিধেয়কৰ আওতালৈ অনাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। জনপ্ৰতিনিধিত্ব আইনৰ প্ৰসঙ্গ উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে কোনো নিৰ্বাচিত জনপ্ৰতিনিধিয়ে দুবছৰ বা ততোধিক সময়ৰ বাবে কাৰাদণ্ডৰে দণ্ডিত হ'লে তেওঁক সংসদৰ সদস্যপদৰ পৰা অব্যাহতি দিব লাগে। বিৰোধী দলে সংবিধানৰ ১৩০ সংখ্যক সংশোধনী বিধেয়ক সন্দৰ্ভত যুটীয়া সংসদীয় সমিতিৰ বৈঠক বৰ্জন কৰাৰ কথা উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে সমিতিয়ে ইয়াৰ দায়িত্ব পালন কৰিব। ইপিনে, প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ৰ পদত্যাগ সন্দৰ্ভত বিৰোধীয়ে সোধা প্ৰশ্নৰ উত্তৰত শ্ৰীশ্বাহে কয় যে শ্ৰীধনখড়ে স্বাস্থ্যজনিত কাৰণত এই পদৰ পৰা অব্যাহতি লৈছে আৰু বিষয়টোক লৈ হুলস্থূল কৰাৰ প্ৰয়োজন নাই।

ooooo

আজি ঢাকাত ভাৰত আৰু বাংলাদেশৰ সীমান্তৰক্ষী বাহিনী দুটাৰ মাজৰ ৫৬ সংখ্যক সঞ্চালক প্ৰধান পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হ'ব। দুয়ো দেশৰ সীমান্ত সুৰক্ষা বাহিনীয়ে প্ৰতি বছৰে দুবাৰকৈ সঞ্চালক প্ৰধান পৰ্যায়ৰ বৈঠক অনুষ্ঠিত কৰি আহিছে। ভাৰতীয় প্ৰতিনিধি দলটোক বি এছ্ এফৰ সঞ্চালক প্ৰধান দলজিত সিং চৌধৰীয়ে নেতৃত্ব দিয়াৰ বিপৰীতে বাংলাদেশৰ দলটোক বাংলাদেশ সীমান্ত সুৰক্ষা বাহিনীৰ সঞ্চালক প্ৰধান মেজৰ জেনেৰেল মহম্মদ আশ্ৰাফউদ্দিন ছিদ্দিকিয়ে নেতৃত্ব দিব। এই আলোচনা কালত ভাৰতীয় সীমান্ত সুৰক্ষা বাহিনীৰ জোৱান আৰু ভাৰতীয় নাগৰিকসকলৰ ওপৰত বাংলাদেশী দুস্কৃতিকাৰীয়ে চলোৱা আক্ৰমণ সন্দৰ্ভত আলোচনা কৰা হ'ব। তদুপৰি সীমান্তৰে অপৰাধ ৰোধ কৰা, একে শাৰীতে কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ, বাংলাদেশত থকা ভাৰতীয় উগ্ৰপন্থী গোটৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ আৰু সীমান্ত আন্তঃগাঁথনিকে ধৰি পাৰস্পৰিক সহযোগিতাৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ কেইবাটাও বিষয় আলোচনা কৰা হ'ব। উল্লেখযোগ্য যে যোৱা ২০ ফেব্ৰুৱাৰীত নতুন দিল্লীত দুয়ো দেশৰ সীমান্ত সুৰক্ষা বাহিনীৰ সঞ্চালক প্ৰধান পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হৈছিল।

ooooo

ভাৰতৰ মহাকাশচাৰী গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাক আজি তেওঁৰ গৃহ চহৰ লক্ষ্ণৌত বিপুলভাৱে আদৰণি জনোৱা হয়। উপ-মুখ্যমন্ত্ৰী ব্ৰজেশ পঠক আৰু মেয়ৰ সুষ্মা খৰক্ৱালে তেওঁৰ চৌধুৰী চৰণ সিং বিমান বন্দৰত আদৰণি জনায়। শুভাংশু শুক্লাই তেওঁ শিক্ষা গ্ৰহণ কৰা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে আয়োজন কৰা এটা বিজয় শোভাযাত্ৰাত ভাগ লয়। মহাকাশচাৰীগৰাকীৰ সন্মানত এটা সম্বৰ্দ্ধনা অনুষ্ঠানৰো আয়োজন কৰা হয়। অনুষ্ঠানত ভাষণ দি উপ-মুখ্যমন্ত্ৰী ব্ৰজেশ পাঠকে কয় যে শুভাংশুৱে সমগ্ৰ দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে আৰু তেওঁৰ বাবে গৃহ চহৰ গৌৰৱান্বিত। উত্তৰ প্ৰদেশৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগে আয়োজন কৰা এটা অনুষ্ঠানত আজি মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে শ্ৰীশুক্লাক সম্বোধন জনাব।

০০০০০

উত্তৰ প্ৰদেশৰ বুলন্দ শ্বেহেৰৰ ৩৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱতি নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত দুগৰাকী মহিলাকে ধৰি কমেও ৯জন লোকৰ মৃত্যু হোৱাৰ লগতে ৪৫জন লোক আহত হয়। অঞ্চলটোৰ ঘাটালগাঁৱৰ সমীপত এখন কণ্টেইনাৰে এখন তীৰ্থযাত্ৰী ভৰ্তি বাহনক খুন্দা মৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। গোগাজীৰ এই তীৰ্থযাত্ৰীসকল ৰাজ্যখনৰ কাঁচগঞ্জৰ পৰা ৰাজস্থানৰ গোগামেদী অভিমুখে গৈ আছিল। বুলন্দ শ্বেহেৰৰ বিশেষ আৰক্ষী অধীক্ষক দীনেশ কুমাৰ সিঙে প্ৰকাশ কৰা মতে আজি পুৱতি নিশা ২ বাজি ১৫ মিনিটত ৩৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ আলিগড় সীমান্তত এই দুৰ্ঘটনাটো সংঘটিত হয়। বাহনখনত কমেও ৬০গৰাকী যাত্ৰী আছিল বুলি আৰক্ষী বিষয়াগৰাকীয়ে প্ৰকাশ কৰিছে। পিছফালৰ পৰা অহা কণ্টেইনাৰখনে তীব্ৰ গতিত যাত্ৰী কঢ়িয়াই অনা বাহনখনত খুন্দা মৰাৰ পাছত বাহনখন কেইবাবাৰো লুটিবাগৰ খোৱাৰ ফলত যাত্ৰীসকল গুৰুতৰভাৱে আহত হৈছে। আহতসকলক খুৰজাৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে আৰু ইয়াৰে তিনিজনৰ অৱস্থা সংকটজনক বুলি প্ৰকাশ কৰা হৈছে।

০০০০০

ভিয়েটনাম চৰকাৰে সাগৰীয় ঘূৰ্ণীবতাহ কাজিকীৰ পৰা হ'ব পৰা ক্ষয়-ক্ষতিৰ প্ৰতি লক্ষ্য ৰাখি ৫ লাখ ৮৬ হাজাৰৰো অধিক লোকক নিৰাপদ ঠাইলৈ স্থানান্তৰৰ নিৰ্দেশ দিছে। তদুপৰি বিমান বন্দৰ আৰু বিদ্যালয়সমূহো বন্ধ কৰি দিয়া হৈছে। ভিয়েটনামৰ বতৰ বিজ্ঞান সংস্থাই দিয়া বতৰৰ আগজাননী অনুসৰি বতাহজাকে ইতিমধ্যে প্ৰতিঘণ্টাত ১৬৬ কিলোমিটাৰ বেগেৰে গতি কৰিছে আৰু আজি বিয়লিৰ ভাগত স্থলভাগত খুন্দাৰ মৰাৰ আশংকা আছে। এই ঘূৰ্ণীবতাহৰ ফলত ধাৰাসাৰ বৰষুণ, বান আৰু ভূমিস্খলনৰ আশংকা কৰি ১৬ হাজাৰ ৫০০ গৰাকী সেনাবাহিনীৰ লোক আৰু ১ লাখৰো অধিক অৰ্ধসামৰিক বাহিনীৰ জোৱান নিয়োগ কৰা হৈছে। প্ৰশাসনে থান হুৱা, কুৱাং ত্ৰি, হিউ আৰু দা নাং প্ৰদেশৰ লোকসকলক ঘৰ এৰি যাবলৈ নিৰ্দেশ দিছে। বতাহজাকে ইতিমধ্যে চীনৰ হাইনান প্ৰদেশ অতিক্ৰম কৰিছে। ভিয়েটনামৰ কৃষি আৰু পৰিৱেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে পৰিস্থিতি অতি ভয়ানক হৈ পৰাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি বাহন চলাচল তথা মাছ মৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ভিয়েটনাম বিমান কৰ্তৃপক্ষই আজি আৰু কাইলৈ কেন্দ্ৰীয় চহৰকেইখনৰ পৰা কমেও ২২ খন বিমানৰ যাত্ৰা বাতিল কৰিছে।

০০০০০

পাকিস্তানত ধাৰাসাৰ বৰষুণ আৰু বানৰ ফলত এতিয়ালৈ কমেও ৭৮৮জন লোকৰ প্ৰাণহানি হোৱাৰ লগতে সহস্ৰাধিক লোক গুৰুতৰভাৱে আহত হৈছে। দেশখনৰ ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি যোৱা জুনৰ পৰা এই দুৰ্যোগত ২০০টি শিশু, ১১৭গৰাকী মহিলা আৰু ৪৭১জন পুৰুষৰ প্ৰাণহানি হৈছে। যোৱা সপ্তাহৰ শেষৰ ভাগত খাইবাৰ পাখটুনখোৱাত ১৩জন লোকৰ দুৰ্যোগৰ কবলত পৰি প্ৰাণহানি হোৱাৰ লগতে ৫২জন লোক আহত হয়। সংবাদ মাধ্যমৰ সূত্ৰ অনুসৰি পাঞ্জাব প্ৰদেশত ১৬৫জন আৰু খাইবাৰ পাখটুনখোৱাত ৪৬৯জন লোকৰ মৃত্যু হৈছে।

০০০০০

সমাপ্ত